- ১ পৰা ২০ লৈ সংখ্যাৰে কাৰ্য কৰিব।

  - ১ পৰা ৯ লৈকে সংখ্যা ব্যৱহাৰ কৰি বস্তু গণনা কৰিব পাৰিব।

  - ২০ লৈ সংখ্যাৰ তুলনা কৰিব পাৰিব। উদাহৰণস্বৰূপে, এটা শ্ৰেণীত ল'ৰাৰ সংখ্যা বেছি নে ছোৱালীৰ সংখ্যা বেছি ক'ব পাৰিব।

- ১ পৰা ২০ লৈ যোগ আৰু বিয়োগৰ ধাৰণা দৈনন্দিন জীৱনত প্ৰয়োগ কৰিব পাৰিব।

  — বাস্তৱ বস্তুৰ সহায়ত ৯ লৈকে যোগ কৰিব পাৰিব। উদাহৰণস্বৰূপে, ৩+৩ ৰ মান উলিয়াবৰ বাবে ৩ ৰ লগত ৩ টা খোজ আগুৱাই যোৱা (অৰ্থাৎ ৩+৩=৬) ইত্যাদি কাৰ্যৰ সহায়ত কৰিব পাৰিব।

  — ১ পৰা ৯ লৈ সংখ্যা ব্যৱহাৰ কৰি বিয়োগ কৰিব পাৰিব। উদাহৰণস্বৰূপে, ৯ টা বস্তুৰ পৰা ৩ টা বস্তু আঁতৰাই দিলে গণনা কৰি ৯-৩=৬ হয় তাক জানিব পাৰিব।

  —৯ লৈকে সংখ্যা ব্যৱহাৰ কৰি দৈনন্দিন জীৱনৰ লগত সংগতি থকা যোগ, বিয়োগ সম্বন্ধীয় সমস্যা সমাধান কৰিব পাৰিব।

- ৯৯ লৈকে সংখ্যা চিনিব আৰু লিখিব পাৰিব।
- বিভিন্ন গোটা বস্তু/আকৃতিৰ ভৌতিক লক্ষণ সমূহ নিজৰ ভাষাৰে বৰ্ণনা কৰিব পাৰিব। উদাহৰণস্বৰূপে, বল বাগৰে, বাকচক চোঁচৰাই নিব পাৰি ইত্যাদি।
- অনিৰ্দ্ধাৰিত একক বা জোখ, যেনে- আঙুলি, বেগেত, হাত, ভৰিৰ খোজ ইত্যাদিৰ সহায়ত দৈৰ্ঘ জুখিব পাৰিব আৰু অনুমান কৰিব পাৰিব।
- আকৃতি আৰু সংখ্যাৰ চানেকি পৰ্যৱেক্ষণ কৰিব পাৰিব, সাজিব পাৰিব আৰু বিস্তৃত কৰিব পৰাৰ কৌশল আয়ত্ব কৰিব।



—১,২,৩,৪, ৫.....

—১,৩,৫..........

—২,৪,৬..........

—১,২,৩,১,২,.....,১,.........,৩,.........

- ছবি আৰু সংখ্যা ব্যৱহাৰ কৰি বিভিন্ন তথ্য সংগ্ৰহ কৰি তালিকা কৰিব পাৰিব আৰু ব্যাখ্যা কৰিব পাৰিব (বাগিচা এখনত থকা বিভিন্ন ফুলৰ ৰং পৰ্যৱেক্ষণ কৰি কোনটো ৰঙৰ ফুল বেছি, সেই সিদ্ধান্তত উপনীত হ'ব পাৰিব)।
- শূন্যৰ ধাৰণাৰ বিকাশ হ'ব।




# ছাত্ৰ-ছাত্ৰীৰ শিকনৰ ফলাফল সম্বন্ধে অভিভাৱক আৰু সমাজৰ ব্যক্তিসকলৰ বাবে প্ৰচাৰ পত্ৰিকা

## প্ৰথম শ্ৰেণী



सत्यमेव जयते
প্ৰাথমিক শিক্ষা বিভাগ, অসম চৰকাৰ

विद्ययाऽमृतमश्नुते
एन सी ई आर टी
NCERT

শিক্ষাৰ অধিকাৰ
সৰ্বশিক্ষা অভিযান, অসম
সকলোৰে পঢ়ো, সকলোৰে আগবাঢ়ো

# অসমীয়া

## ছাত্ৰ-ছাত্ৰীয়ে—

- বিভিন্ন উদ্দেশ্যেৰে ঘৰুৱা ভাষা আৰু বিদ্যালয়ৰ ভাষা ব্যৱহাৰ কৰি কথোপকথন কৰিব, কবিতা/ভংগিমা গীত আবৃত্তি কৰিব, গাব, সাধু ক'ব, মনত উদয় হোৱা প্ৰশ্ন সুধিব, পৰিচিত গীত গাব, নিজৰ অনুভৱ, অভিজ্ঞতা ব্যক্ত কৰিব পাৰিব।
- মুক্তভাৱে আঁক-বাঁক (অংকন) কৰিব আৰু কি আঁকিছে নিজাধৰণে ব্যাখ্যা কৰিব পাৰিব।
- ভংগিমা গীত আৰু বিভিন্ন ক্ৰিয়া-কলাপৰ জৰিয়তে ক্ৰম অনুসৰি বৰ্ণমালাৰ আখৰবোৰ চিনি পাব আৰু ধ্বনিবোৰ উচ্চাৰণ কৰিব পাৰিব।
- ছবি চাই ছবিত থকা চৰিত্ৰবোৰ আৰু অন্যান্য বস্তুৰ নামবোৰ ক'ব পাৰিব।
- ক্ৰমত থকা ছবিৰ সহায়ত সাধু-কথা, গল্প, কাহিনী আদি পৰ্য্যৱেক্ষণ কৰি ক্ৰমত ক'ব পাৰিব।
- নিজে অঁকা ছবিৰ নাম ক'ব আৰু তলত নাম লিখিব পাৰিব।
- ছপা আখৰ বা ছবি আৰু হাতে লিখা আখৰ বা ছবিৰ মাজত পাৰ্থক্য বুজিব পাৰিব।
- ধ্বনি আৰু শব্দৰ সৈতে খেলিব পাৰিব, যেনে— এক্কা, মক্কা, উচ্চ, তুচ্চ আদি।
- সাধু-কথা, পদ্য/কবিতা আদিৰ আখৰ, শব্দ, বাক্য পঢ়ি আৰু ধ্বনিবোৰ শুনি বুজি পাব আৰু চিনাক্ত কৰিব পাৰিব।
- পৰিৱেশৰ আশে-পাশে থকা চিনাকি একেজাতীয় বস্তুবোৰৰ সহায়ত তাত থকা ছপা নামবোৰ অনুমান কৰি পঢ়িব পাৰিব, যেনে - চিপ্‌চ, মৰ্টন, চক্‌লেট আদি।
- পৰিচিত আৰু অপৰিচিত লিখিত সামগ্ৰী, (যেনে - মধ্যাহ্ন ভোজনৰ তালিকা, নিজৰ নাম, শ্ৰেণীৰ নাম, নিজৰ ভাল লগা কিতাপৰ শিৰোনাম) অনুমানত পঢ়িবলৈ আগ্ৰহ দেখুৱাব, কথা-বাৰ্তা (কথোপকথন) পাতিব পাৰিব।
- বৰ্ণমালাৰ আখৰবোৰৰ আকৃতি চিনি পাব আৰু ধ্বনিবোৰ উচ্চাৰণ কৰিব পাৰিব।
- বিদ্যালয়ৰ ভিতৰে-বাহিৰে (শিকনকোণ/পুথিভঁৰাল) পোৱা ভাল লগা কিতাপ বা চিত্ৰ কথাৰ পুথি নিজে নিৰ্বাচন কৰিব আৰু পঢ়িবলৈ যত্ন কৰিব পাৰিব।
- লিখন শিকন প্ৰক্ৰিয়াত বিকাশাত্মক স্তৰ অনুসৰি ছবি আৰু অথালি-পথালি ৰেখা আঁকিব, ধ্বনি অনুসৰি আখৰৰ আকৃতি শিকিব পাৰিব।
- ছপা সামগ্ৰী, বাতৰি-কাকত, প্ৰচাৰ পত্ৰিকা, নামফলক (পথৰ নাম, দোকানৰ নাম)ত থকা চিনাকি আখৰ আৰু শব্দবোৰ বিচাৰি পঢ়িব আৰু আঙুলিৰে দেখুৱাব পাৰিব।
- শব্দকাৰ্ড, চিত্ৰকাৰ্ডৰ সহায়ত -কাৰ (স্বৰ) চিহ্নযুক্ত শব্দ পঢ়িব আৰু লিখিব পাৰিব।

# ENGLISH

## The learner –

- associates words with pictures
- names familiar objects seen in the pictures
- recognizes letters and their sounds A – Z
- differentiates between small and capital letters in print or Braille
- recites poems/rhymes with actions
- draws, scribbles in response to poems and stories
- responds orally (in any language including sign language) to comprehension questions related to stories/poems
- identifies characters and sequence of a story and asks questions about the story
- carries out simple instructions such as 'Shut the door', 'Bring me the book', and such others
- listens to English words, greetings, polite forms of expression, simple sentences and responds in English or the home language or 'signing' (using sign language)
- listens to instructions and draws a picture
- talks about self/situations/pictures in English
- uses nouns such as 'boy', 'sun' and prepositions like 'in', 'on', 'under', etc.
- produces words with common blends like "br" "fr" like 'brother', 'frog', etc.
- writes simple words like fan, hen, rat, etc.

# গণিত

## ছাত্ৰ-ছাত্ৰীয়ে -

- বিভিন্ন বস্তুৰ ভৌতিক লক্ষণ, যেনে— আকাৰ-আকৃতি ইত্যাদি পৰ্যৱেক্ষণ কৰি বস্তুবিলাকৰ শ্ৰেণী বিভাজন কৰিব পাৰিব। লগতে ছাত্ৰ-ছাত্ৰীয়ে কিছুমান কাৰ্য পৰ্যৱেক্ষণ কৰি যেনে- বল বাগৰি যায়, বাকচক চোঁচৰাই নিব পাৰি আদিৰ বিষয়ে জানিব পাৰিব আৰু বাস্তৱ বস্তু, ছবি আৰু চিহ্নৰ সহায়ত ২০ লৈ সংখ্যা গণনা কৰিব পাৰিব।

